**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-05-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। শেহতীয়া ছায়া যুদ্ধই এখন পূৰ্ণ পৰিকল্পিত যুদ্ধৰ ৰণনীতিৰ কথা প্ৰমাণ কৰিলে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। সন্ত্ৰাসবাদৰ বিৰুদ্ধে নতুন দিল্লীৰ শূন্য সহনশীলতাৰ বাৰ্তা কঢ়িয়াই যাত্ৰা কৰা ভাৰতৰ দুটা সৰ্বদলীয় প্ৰতিনিধিৰ দলে কাটাৰ আৰু গায়ানা ভ্ৰমণ সমাপ্ত কৰিছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে দাবী কৰিছে যে পাকিস্তানৰ বিভিন্ন নগৰ-মহানগৰত আশ্ৰয় গ্ৰহণ কৰি সন্ত্ৰাসবাদী সংগঠনসমূহে কাম-কাজ চলাই আছে।

৪। দক্ষিণ কোৰিয়াৰ গুমিত অনুষ্ঠিত এছিয়ান এথলেটিক্‌ছ চেম্পিয়নশ্বিপত ভাৰতৰ ছাৰ্ভিন চেবাস্তিয়ানে দেশৰ হৈ প্ৰথমটো পদক জয় কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্ট, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে শেহতীয়া ছায়া যুদ্ধই এখন পূৰ্ণ পৰিকল্পিত যুদ্ধৰ ৰণনীতিৰ কথা প্ৰমাণ কৰিলে। গুজৰাটৰ গান্ধী নগৰৰ মহাত্মা মন্দিৰত আজি এখন জনসভাত শ্ৰী মোদীয়ে এই কথা উল্লেখ কৰি কয়, যে যোৱা ৬ মে'ৰ ঘটনাৰ পাছত ভাৰতক সন্ত্ৰাসবাদী কাৰ্যকলাপৰ প্ৰমাণ দিয়াৰ প্ৰয়োজন নাই। সীমান্তৰ ইপাৰৰ পৰাই তেওঁলোকে নিজেই ইয়াৰ প্ৰমাণ দিলে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। তেওঁ কয়, যে পাকিস্তানত মৃত সন্ত্ৰাসবাদী কেইজনৰ কফিনত ৰাষ্ট্ৰীয় পতাকাৰে মেৰিয়াই ছেলুট দি ৰাষ্ট্ৰীয় সন্মান সহকাৰে শেষকৃত্য সম্পন্ন কৰা হয়। এই কথাই স্পষ্টভাৱে প্ৰমাণ কৰে যে এয়া কেৱল সন্ত্ৰাসবাদীৰ কাৰ্যকলাপ নহয়, বৰং ইয়াৰ সৈতে সামৰিক সহযোগিতা জড়িত হৈ আছে। শ্ৰী মোদীয়ে কয়, যে ভাৰতে কাৰো সৈতে শত্ৰুতা কৰিব নিবিচাৰে। তেওঁ কয়, যে দেশে বিশ্বৰ কল্যাণত অৰিহণা যোগাব পৰাকৈ প্ৰগতি কামনা কৰে আৰু চৰকাৰে লাখ লাখ ভাৰতীয়ৰ জীৱন উন্নত কৰাৰ বাবে সমৰ্পিত মনোভাৱেৰে কাম কৰি আছে। পূৰ্বৰ কিছু ভুল নীতিত আলোকপাত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে যুৱ প্ৰজন্মক ৰাষ্ট্ৰীয় স্বাৰ্থ ক্ষতি কৰা ঐতিহাসিক সিদ্ধান্তসমূহৰ বিষয়ে অধ্যয়ন কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে দেশৰ স্বাধীনতাৰ ১০০ বছৰ সম্পূৰ্ণ হোৱাৰ সময়ত উন্নত ভাৰতৰ দৰ্শন প্ৰাপ্তিৰ ক্ষেত্ৰত কোনো আপোচ কৰা নহ'ব আৰু প্ৰতিগৰাকী ভাৰতীয়ই এই সপোন অনুধাৱন কৰি নিজৰ দায়িত্ব পালন কৰিব লাগিব।

ইয়াৰ পূৰ্বে শ্ৰী মোদীয়ে আজি গান্ধী নগৰত ৫ হাজাৰ ৫৩৬ কোটি টকা ব্যয়সাপেক্ষে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

ooooooooo

সাংসদ সুপ্ৰিয়া সুলেৰ নেতৃত্বত ভাৰতৰ এটা সৰ্বদলীয় সংসদীয় দলে কাটাৰৰ চৰকাৰী ভ্ৰমণৰ সামৰণি মাৰিছে। পেহেলগামত ২২ এপ্ৰিলত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণ আৰু অপাৰেচন সিন্দূৰৰ জৰিয়তে ভাৰতে দিয়া প্ৰত্যুত্তৰৰ পাছত কেইবাটাও সৰ্বদলীয় প্ৰতিনিধি দলে বিভিন্ন দেশ ভ্ৰমণ কৰিছে। সাংসদ সুলেৰ নেতৃত্বত দলটোৱে চাৰিখন দেশ ভ্ৰমণ কৰিব আৰু প্ৰথম পৰ্যায়ত কাটাৰ ভ্ৰমণ সম্পূৰ্ণ কৰিছে।

এই দুদিনীয়া ভ্ৰমণ কালত প্ৰতিনিধি দলটোৱে কাটাৰৰ বিদেশ ৰাজ্যমন্ত্ৰী ড° মহম্মদ বিন আব্দুলাজিজ বিন চালেহ অল খুলাইফি, অভ্যন্তৰীণ পৰিক্ৰমা ৰাজ্যমন্ত্ৰী শ্বেইখ এ আব্দুলাজিজ বিন ফৈচল বিন মহম্মদ অল থানি আৰু সংসদ শুৰা কাউন্সিলৰ উপাধ্যক্ষ ড°

হামদা বিণ্ট হাছান অল ছুলাইটিকে ধৰি অন্যান্য জ্যেষ্ঠ চৰকাৰী বিষয়াবৰ্গৰে আলোচনাত মিলিত হয়। প্ৰতিনিধি দলটোৱে গোলকীয় পৰিক্ৰমা বিষয়ক মধ্যপ্ৰাচ্য পৰিষদৰ কাটাৰৰ প্ৰতিনিধি আৰু একাংশ চিন্তাবিদৰ সৈতেও মত বিনিময় কৰে। দলটোৱে কাটাৰৰ আগশাৰীৰ দৈনিক কাকত 'অল ছাৰ্ক' আৰু 'পেনিনছুলা'কে ধৰি একাংশ সংবাদ মাধ্যমৰ সাংবাদিকৰ সৈতেও কথা পাতে। কাটাৰত থকা ভাৰতীয়সকলৰ একাংশকো দলটোৱে সাক্ষাৎ কৰে। প্ৰতিখন বৈঠকতে প্ৰতিনিধি দলটোৱে সন্ত্ৰাসবাদৰ প্ৰতি নতুন দিল্লীৰ শূন্য সহনশীলতাৰ বাৰ্তা দিয়ে আৰু পেহেলগাম আক্ৰমণকে ধৰি তাৰ পৰৱৰ্তী ঘটনাৱলীৰ খতিয়ান দিয়ে। অপাৰেচন সিন্দূৰৰ সাফল্যক তুলি ধৰি তেওঁলোকে কয়, যে এই অভিযানৰ জৰিয়তে সেনা বাহিনীয়ে সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদীৰ ঘাটিক উচ্ছেদ কৰিবলৈ সমৰ্থ হ'ল। সীমান্তৰ সিপাৰৰ পৰা চলি অহা সন্ত্ৰাসবাদৰ পৰিকাঠামো ধবংস কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব দি দলটোৱে সন্ত্ৰাসবাদী গোট আৰু তেওঁলোকৰ পৃষ্ঠপোষকৰ মাজত থকা সম্বন্ধ ধবংস কৰি দিয়াৰো পোষকতা কৰে।

কাটাৰেও চৰকাৰীভাৱে পেহেলগামৰ আক্ৰমণক কঠোৰ ভাষাৰে গৰিহণা দি সন্ত্ৰাসবাদৰ বিৰুদ্ধে থকা দেশখনৰ শূন্য সহনশীলতাৰ বিষয়ে জানিবলৈ দিয়ে। ভাৰতীয় দলটোৱে সমৰ্থনৰ বাবে কাটাৰক কৃতজ্ঞতা জনায় আৰু এই ঘটনাৰ পিছদিনা অৰ্থাৎ ২৩ এপ্ৰিলত সন্ত্ৰাসবাদীৰ আক্ৰমণক গৰিহণা দি কাটাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে দিয়া বিবৃতিৰ উল্লেখ কৰে। সৰ্বদলীয় দলটোৰ ভ্ৰমণৰ পূৰ্বে কাটাৰৰ আমিৰ শ্বেইখ তামিম বিন হামাদ অল থানি আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৬ মে'ত টেলিফোনযোগে কথা পাতিছিল। তদুপৰি ৭ মে'ত কাটাৰৰ প্ৰধানমন্ত্ৰী তথা বৈদেশিক পৰিক্ৰমা মন্ত্ৰী শ্বেইখ মহম্মদ বিন জাছিম অল থানিয়ে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰৰ সৈতে টেলিফোনযোগে আলোচনাত মিলিত হৈছিল।

কাটাৰৰ ৰাজধানী ড'হাত প্ৰতিনিধিৰ দলটোৱে সংবাদ মাধ্যমৰ মুখামুখি হৈ এই দুদিনীয়া ভ্ৰমণৰ বিষয়ে চমু খতিয়ান দিয়ে। প্ৰতিনিধিৰ দলটোত সাংসদ সুপ্ৰিয়া সুলেৰ উপৰি সাংসদ ক্ৰমে – ৰাজীৱ প্ৰতাপ ৰোডী, বিক্ৰমজিৎ সিং ছেহনি, মণিষ তেৱাৰী, অনুৰাগ সিং ঠাকুৰ আৰু লাভু শ্ৰীকৃষ্ণ দেভাৰায়ালু অন্তৰ্ভুক্ত হৈছে। দলটোত প্ৰাক্তন উদ্যোগ-বাণিজ্য মন্ত্ৰী আনন্দ শৰ্মা, প্ৰাক্তন বিদেশ ৰাজ্য মন্ত্ৰী ভি মুৰলীধৰণ আৰু ৰাষ্ট্ৰসংঘত ভাৰতৰ প্ৰাক্তন স্থায়ী প্ৰতিনিধি চৈয়দ আকবৰউদ্দিনো আছে। দলটো আজি ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত দক্ষিণ আফ্ৰিকালৈ ৰাওনা হ'ব।

ooooooooo

ভাৰতে সন্ত্ৰাসবাদৰ প্ৰতি পাকিস্তানে দি অহা সমৰ্থনক বিশ্বজুৰি উদঙাই দেখুওৱাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই উদ্দেশ্যে সৰ্বদলীয় প্ৰতিনিধি দলে বিভিন্ন দেশ ভ্ৰমণ কৰিছে আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে নতুন দিল্লীৰ শূন্য সহনশীলতাৰ বাৰ্তা অৱগত কৰিছে। কংগ্ৰেছ সাংসদ শশী থাৰুৰৰ নেতৃত্বৰ প্ৰতিনিধি দলে দক্ষিণ আমেৰিকাৰ দেশ গায়ানা ভ্ৰমণ সমাপ্ত কৰিছে। সংবাদ মাধ্যমক শ্ৰী থাৰুৰে কয়, যে গায়ানাই সন্ত্ৰাসবাদী আক্ৰমণৰ পৰা ভাৰতে নিজকে ৰক্ষা কৰাৰ অধিকাৰৰ প্ৰতি সমৰ্থন আগবঢ়াইছে। তেওঁ কয়, যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ বৰ্তমানৰ সদস্য দেশ হিচাপে গায়ানাই বিভিন্ন আন্তৰ্জাতিক বিষয়ত মাত মাতি আহিছে আৰু দেশখন ভাৰতৰ বাবে সদায় বিশেষ গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈ আহিছে। গায়ানা চৰকাৰৰ পৰা ভাৰতে সম্পূৰ্ণ আৰু নিঃচৰ্ত সমৰ্থন লাভ কৰা বুলিও সাংসদ থাৰুৰে প্ৰকাশ কৰে।

প্ৰতিনিধি দলটোৱে গায়ানাৰ ৰাষ্ট্ৰপতি মহম্মদ ইৰফান আলীক সাক্ষাৎ কৰে। এই সাক্ষাতৰ পাছতে ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে সন্ত্ৰাসবাদ আৰু উগ্ৰবাদ মানৱ প্ৰগতিৰ অন্তৰায়, সেয়ে গায়ানাই ইয়াৰ তীব্ৰ বিৰোধিতা কৰি আহিছে। প্ৰতিনিধি দলটোৱে দেশখনৰ সংসদৰ অধ্যক্ষ মনজুৰ নাদিৰক সাক্ষাৎ কৰি অপাৰেচন সিন্দূৰ আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে অব্যাহত থকা ভাৰতৰ যুঁজখনৰ বিষয়ে অৱগত কৰায়।

জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝাঁৰ নেতৃত্বৰ আন এটা প্ৰতিনিধিৰ দলে ছিংগাপুৰত দেশখনৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ জ্যেষ্ঠ ৰাজ্য মন্ত্ৰী আৰু গৃহ মন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰতিনিধি দলটোৱে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পৰৱৰ্তী পৰ্যায়ত ভাৰতৰ স্থিতি তথা অপাৰেচন সিন্দূৰকে ধৰি অন্যান্য কাৰ্যব্যৱস্থাৰ বিষয়ে অৱগত কৰায়।

ooooooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে দাবী কৰিছে যে পাকিস্তানৰ বিভিন্ন নগৰ-মহানগৰত আশ্ৰয় গ্ৰহণ কৰি সন্ত্ৰাসবাদী সংগঠনসমূহে কাম-কাজ চলাই আছে। তেওঁ কয়, যে সন্ত্ৰাসবাদ পাকিস্তানৰ বাবে এটা মুকলি ব্যৱসায়ত পৰিণত হৈছে আৰু দেশখনৰ সেনাবাহিনী তথা চৰকাৰে সমৰ্থন কৰাৰ উপৰি পুঁজি যোগানেৰে সন্ত্ৰাসবাদক ব্যৱহাৰ কৰি আহিছে। জাৰ্মানীৰ এখন কাকতক দিয়া সাক্ষাৎকাৰত ড° জয়শংকৰে কয়, যে আক্ৰমণ চলালে সন্ত্ৰাসবাদীয়ে চূড়ান্ত মূল্য ভৰিব লাগিব বুলি ভাৰতে ইতিমধ্যে স্পষ্ট বাৰ্তা দিছে। পেহেলগামৰ ঘটনাৰ পাছত ভাৰতৰ প্ৰত্যুত্তৰ সন্দৰ্ভত তেওঁ কয়, যে ভাৰতৰ আক্ৰমণ আছিল অত্যন্ত লক্ষ্যভেদি। পাকিস্তানৰ সৈতে যুদ্ধ বিৰতি সন্দৰ্ভত ড° জয়শংকৰে কয় যে দুয়োখন দেশৰ সামৰিক বাহিনীয়ে প্ৰত্যক্ষ যোগাযোগৰ জৰিয়তে যুদ্ধ বিৰতিৰ বাবে একমত হৈছিল।

000000000

আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিৱস। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাৰ জৰিয়তে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক তেওঁৰ জয়ন্তীত শ্ৰদ্ধাঞ্জলি জনায়।

000000000

মহাৰাষ্ট্ৰৰ জিঅ'ৰাই-বীড ঘাইপথত যোৱানিশা সংঘটিত এটা পথ দুৰ্ঘটনাত ছজন লোকৰ মৃত্যু হোৱাৰ উপৰি এজন লোক গুৰুতৰভাৱে আহত হয়। যোৱানিশা জিঅ'ৰাই-বীড ঘাইপথত এখন গাড়ীয়ে ডিভাইডাৰত খুন্দা মাৰে যদিও তেতিয়ালৈ গাড়ীখনৰ যাত্ৰীকেইজন সুৰক্ষিত অৱস্থাতে আছিল। পাছত আটাইকেইগৰাকী যাত্ৰীয়ে ডিভাইডাৰৰ পৰা গাড়ীখন আঁতৰাবলৈ চেষ্টা কৰাৰ সময়তে এখন তীব্ৰবেগী ট্ৰাকে মহতিয়াই নিয়াত ছজন লোক থিতাতে নিহত হয়। বীডৰ আৰক্ষী অধীক্ষক নৱনীত কনৱাটে এই ঘটনাৰ তদন্ত অব্যাহত আছে বুলি প্ৰকাশ কৰিছে।

000000000

দক্ষিণ কোৰিয়াৰ গুমিত অনুষ্ঠিত এছিয়ান এথলেটিক্‌ছ চেম্পিয়নশ্বিপত ভাৰতৰ ছাৰ্ভিন চেবাস্তিয়ানে দেশৰ হৈ প্ৰথমটো পদক জয় কৰিছে। ছাৰ্ভিনে আজি পুৰুষৰ ২০ কিলোমিটাৰ ৰেচ ৱাক এঘণ্টা ২১ মিনিট আৰু ১৩ দশমিক ৬ ছেকেণ্ডত সম্পূৰ্ণ কৰি ব্ৰঞ্জৰ পদক অৰ্জন কৰে। এই প্ৰতিযোগিতাত চীনৰ ঝাওঝাওৱে সোণ আৰু জাপানৰ কেণ্টো য়ুচি কাৱাই ৰূপৰ পদক লাভ কৰে। আন এগৰাকী ভাৰতীয় এথলিট অমিত পঞ্চম স্থানত থাকে।

000000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্ট, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে মুম্বাই ইণ্ডিয়ানছক ৭ উইকেটত পৰাস্ত কৰে। এই জয়ৰ সুবাদত পাঞ্জাবে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ শীৰ্ষ দুটা দলৰ মাজত নিজৰ স্থান সুনিশ্চিত কৰে। দলটোৱে লগতে অহা বৃহস্পতিবাৰে ছণ্ডিগড়ত হ'বলগীয়া প্লে অফ পৰ্যায়ৰ প্ৰথমখন কোৱালিফায়াৰ খেলৰ বাবেও যোগ্যতা অৰ্জন কৰে।

000000000

**সমাপ্ত**